“অদূৰ ভৱিষ্যতত তোমালোকৰ ওপৰত এনেকুৱা শাসকবৃন্দ নিয়োগ কৰা হ’ব, যিসকলৰ (কিছুমান কাম) তোমালোকে ভাল দেখিবলৈ পাবা আৰু (কিছুমান কাম) গর্হিত দেখিবলৈ পাবা। এতেকে যিয়ে (সিহঁতৰ গর্হিত কৰ্মক) ঘৃণা কৰিব, তেওঁ দায়মুক্ত হৈ যাব, আৰু যিয়ে আপত্তি তথা প্ৰতিবাদ জনাব, সেই ব্যক্তিও পৰিত্রাণ পাই যাব। কিন্তু যিয়ে (এইবোৰ কৰ্মত) সন্মত হ’ব আৰু সিহঁতক অনুসৰণ কৰিব (সি ধ্বংস হৈ যাব)।

উম্মে ছালামাহ উম্মুল মুনিনীন -ৰাদ্বিয়াল্লাহু আনহা-ৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “অদূৰ ভৱিষ্যতত তোমালোকৰ ওপৰত এনেকুৱা শাসকবৃন্দ নিয়োগ কৰা হ’ব, যিসকলৰ (কিছুমান কাম) তোমালোকে ভাল দেখিবলৈ পাবা আৰু (কিছুমান কাম) গর্হিত দেখিবলৈ পাবা। এতেকে যিয়ে (সিহঁতৰ গর্হিত কৰ্মক) ঘৃণা কৰিব,
তেওঁ দায়মুক্ত হৈ যাব, আৰু যিয়ে আপত্তি তথা প্ৰতিবাদ জনাব, সেই ব্যক্তিও পৰিত্রাণ
পাই যাব। কিন্তু যিয়ে (এইবোৰ কৰ্মত) সন্মত হ’ব আৰু সিহঁতক অনুসৰণ কৰিব (সি ধ্বংস হৈ যাব)।” চাহাবাসকলে ক’লেঃ আমি সিহঁতৰ বিৰুদ্ধে যুদ্ধ নকৰিমনে?’ তেখেতে ক’লেঃ “নহয়; যেতিয়ালৈকে সিহঁতে চালাত কায়েম কৰিব।” [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আমাৰ ওপৰত এনেকুৱা শাসকে শাসন চলাব, যিসকলৰ কিছুমান কাম ভাল হ'ব অৰ্থাৎ চৰীয়ত সন্মত, আৰু কিছুমান হ'ব অসৎ অৰ্থাৎ চৰীয়ত বিৰোধী। এতেকে সিহঁতৰ বেয়া কামবোৰক খণ্ডন কৰাৰ যাৰ ক্ষমতা নাই তেওঁ যদি অন্তৰেৰে সেইবোৰক ঘৃণা কৰে তেন্তে তেওঁ নিফাক আৰু গুনাহৰ পৰা দায়মুক্ত হৈ যাব। এইদৰে যাৰ ওচৰত হাত আৰু মুখৰ দ্বাৰা সেইবোৰৰ প্ৰতিবাদ কৰাৰ ক্ষমতা আছে আৰু তেওঁ যদি সেই ক্ষমতাৰ সদ্ব্যৱহাৰ কৰে তেন্তে তেৱোঁ গুনাহৰ পৰা ৰক্ষা পাব আৰু সিহঁতৰ এই পাপকৰ্মত লিপ্ত হোৱাৰ পৰা সুৰক্ষিত থাকিব। আনহাতে যিয়ে সিহঁতক সমৰ্থন কৰিব আৰু সিহঁতৰ অনুসৰণ কৰিব, সি সিহঁতৰ দৰেই ধ্বংস হ'ব। ইয়াৰ পিছত চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলেঃ এনেকুৱা বৈশিষ্ট্য থকা শাসকৰ বিৰুদ্ধে আমি যুদ্ধ নকৰিমনে? এই কথা শুনি তেখেতে তেওঁলোকক নিষেধ কৰিলে আৰু ক'লেঃ নহয়, সিহঁতৰ লগত তেতিয়ালৈকে যুদ্ধ নকৰিবা যেতিয়ালৈকে সিহঁতে নামাজ পঢ়িব।

http://www.sunnah.global/hadeeth/as/show/3481